# অসম গ্ৰাম্য আন্তঃগাঠনি আৰু কৃষি সেৱা সমিতি

বিশ্ব বেংকৰ আৰ্থিক সাহাৰ্য্য প্ৰাপ্ত

## অসম নাগৰিক কেন্দ্ৰীক সেৱা প্ৰদান প্ৰকল্প

## জনজাতীয় বিকাশ পৰিকল্পনাৰ
## কাৰ্যকৰী বিষয়ৰ সংক্ষিপ্ত ৰূপ

জানুৱাৰী ২০১৯

# কাৰ্যকৰী বিষয়ৰ সংক্ষিপ্ত ৰূপ

## পাতনি

অসম চৰকাৰে সেৱা প্ৰদান ব্যৱস্থাৰ সহজলভ্যতা আৰু উপলব্ধতাৰ উন্নতিকৰণ তথা শক্তিশালীকৰণৰ প্ৰয়োজনীয়তাৰ দিশটোত গুৰুত্ব প্ৰদান কৰিছে আৰু সেয়েহে নাগৰিকসকলে যাতে সময়মতে, উপযুক্ত আৰু জবাবদিহি ব্যৱস্থাসম্পন্ন ৰূপত ৰাজহুৱা সেৱাসমূহ লাভ কৰিব পাৰে, সেইয়া নিশ্চিত কৰিবলৈ অসম লোকসেৱা অধিকাৰ আইন, ২০১২ প্ৰৱৰ্ত্তন কৰিছে। এই আইনখনে কিছুমান নিৰ্দিষ্ট অধিসূচীত ৰাজহুৱা সেৱা বা লোকসেৱা নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত লাভ কৰিবলৈ সমৰ্থ কৰি তুলিব আৰু এই সেৱাসমূহ নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত প্ৰদান কৰিবলৈ চৰকাৰী বিষয়া-কৰ্মচাৰীসকলৰ দায়িত্বসমূহ ধাৰ্য কৰিব। ৰাইজে বিচৰাধৰণে সেৱাসমূহ যদি পদৱীধাৰী কোনো চৰকাৰী বিষয়া কৰ্মচাৰীয়ে নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত প্ৰদান কৰিব নোৱাৰে তেন্তে এই আইনৰ অধীনত বিধিসম্পন্ন আপীল প্ৰক্ৰিয়া আছে যাৰ দ্বাৰা উক্ত বিষয়া কৰ্মচাৰীক জৰিমণা পৰ্যন্ত বিহাৰ ব্যৱস্থাও আছে। অসম লোকসেৱা অধিকাৰ আইন, ২০১২ (আৰ.টি.পি.এচ আইন)ৰ অধীনত অসম চৰকাৰে এতিয়ালৈকে ১৪টা বিভিন্ন বিভাগৰ ৫৫টা সেৱাক অধিসূচীত কৰিছে।

প্ৰাৰম্ভিক অৱস্থাত, সেৱা প্ৰদানৰ সহজলভ্যতাৰ প্ৰত্যাহ্বান আৰু কঠিনতাসমূহৰ বিষয়ে স্পষ্টকৈ বুজি উঠিবলৈ প্ৰশাসনৰ লোকসেৱা প্ৰদানৰ ক্ষেত্ৰত উদ্ভৱ হোৱা প্ৰতিবন্ধকতাসমূহ বিশ্লেষণ কৰিবলৈ বিশ্ব বেংকে ঋণমুক্ত কাৰিকৰী সাহায্য (NLTA) ব্যৱস্থাৰ জৰিয়তে সহায় আগবঢ়াইছিল। এই বিশ্লেষণাত্মক কাৰ্যটিৰ বাবে আগবঢ়োৱা কেইটামান প্ৰধান অনুমোদন বা চুপাৰিছ আছিল এনেধৰণৰ - প্ৰশাসনীক ব্যৱস্থাৰ সৰলীকৰণ আৰু প্ৰণালীবদ্ধকৰণ, সেৱা প্ৰদানৰ অনুৰোধসমূহৰ কাৰ্যক্ৰমণিকাৰ স্তৰসমূহ হ্ৰাস কৰা, তথ্য আৰু যোগাযোগ প্ৰযুক্তিৰ সৰ্বাত্মক পৰিকল্পনা প্ৰস্তুত কৰা তথা চৰকাৰৰ পৰা নাগৰিকলৈ উপযুক্ত সেৱা প্ৰদানৰ বাবে সহযোগি প্ৰক্ৰিয়াগত কৌশলসমূহক নতুন ৰূপ প্ৰদান কৰা। অসম চৰকাৰৰ অনুৰোধত অসম লোকসেৱা অধিকাৰ আইন, ২০১২ৰ অধীনত নাগৰিকক ৰাজহুৱা সেৱাসমূহ আগবঢ়োৱাৰ মানদণ্ড উন্নতীকৰণৰ বাবে আৰু দায়বদ্ধতা শক্তিশালীকৰণৰ অসম নাগৰিক কেন্দ্ৰীক সেৱা প্ৰদান প্ৰকল্প (এ.চি.চি.এচ.ডি.পি)টিক সংবৰ্ধন তথা শক্তিশালী কৰাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে লোৱা পদক্ষেপক সহায় কৰাৰ উদ্দেশ্যে বিশ্ববেংকে ৰাজ্যখনত ৩৯.২ নিযুত মাৰ্কিন ডলাৰৰ আৰ্থিক সাহাৰ্য্য প্ৰদানৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছে।

ৰাজ্যখনত ফলপ্ৰসু লোকসেৱা অধিকাৰ প্ৰৱৰ্ত্তনৰ জৰিয়তে অসমৰ নাগৰিকসকলক, বিশেষকৈ দুখীয়া শ্ৰেণীৰ নাগৰিক সেৱা কৰিবলৈ অসম নাগৰিক কেন্দ্ৰীক সেৱা প্ৰদান প্ৰকল্প (এ.চি.চি.এচ.ডি.পি) লক্ষ্যবদ্ধ।

## অসমত জনজাতীয় দৃশ্যপট

২০১১ চনৰ লোকপিয়ল অনুসৰি, অসমত মুঠ জনজাতীয় জনসংখ্যা হৈছে ৩৮,৮৪,৩৭১ গৰাকী, যিটো হৈছে ৰাজ্যৰ মুঠ জনসংখ্যাৰ ১২.৪%। অসমৰ মুঠ জনজাতিসমূহ হ'ল ঃ বড়ো (৩৫.১%), মিচিং (১৭.৫২%), কাৰ্বি (১১.১%), ৰাভা (৭.৬%), সোনোৱাল কচাৰী (৬.৫%), লালুং (৫.২%), গাৰো (৪.২%), ডিমাচা জনজাতি (৩.২%)। এই জনজাতিসমূহ মিলি ৰাজ্যখনৰ অনুসূচীত জনজাতিৰ ৯০%ই গঠন কৰে। অসমৰ অন্য জনজাতিসমূহ হ'ল - দেউৰী, হাজং, ঠেঙাল কচাৰী, খাচী, জয়ন্তীয়া, মেচ, চাক্‌মা, মিজো, হমাৰ, কুকি জনজাতীসকল, নাগা জনজাতীসকল, বৰ্মন (কাচাৰত), মান (টাই ভাষীসকলক), খাম্‌তী আৰু চিংফো জনজাতি। জনজাতীয় লোকসকলে স্বাভাৱিকতে ওচৰা-ওচৰি এলেকাসমূহত বাস কৰে; আৰু প্ৰকৃতিৰ সৈতে, যেনে নৈ-নিজৰা, হাবি-বননি, জীৱ-জন্তু আদিৰ সৈতে, তেওঁলোকৰ জীৱনৰ সম্বন্ধ অতি গভীৰ। অসমৰ ছয়খন জনজাতীয় জিলা - কাৰ্বিআংলং, ডিমা হাচাও, কোকৰাঝাৰ, চিৰাং, বাক্‌চা আৰু ওদালগুৰিক অনুসূচীত এলেকা বুলি ঘোষণা কৰা হৈছে। যদিও অসমৰ জনজাতিয় জনসংখ্যা বা লোকসমূহ সম্পূৰ্ণ ভাৱে আদিম বুলি গণ্য কৰা নহয় তথা সামাজিক-সাংস্কৃতিক মূলসূতীৰ পৰা বিচ্ছন্ন নহয়, তথাপি জনজাতীয় এলেকাসমূহৰ বিকাশৰ নূন্যতম ব্যৱধানসমূহ হ্ৰাস কৰাটো প্ৰয়োজন। জনজাতীয় এলেকাসমূহৰ প্ৰতি সমৰ্পিত মনোযোগৰ মূল লক্ষ্য হ'ব প্ৰকল্প এলেকাত বাস কৰা খিলঞ্জীয়া লোকসকলৰ সৈতে প্ৰকল্পটি বিনামূলীয়াকৈ, সৰ্বশ্ৰেষ্ঠ আৰু জ্ঞাত পৰামৰ্শ প্ৰদান আৰু প্ৰকল্পটিৰ সুফলসমূহ তেওঁলোকৰ মাজত সমভাৱে বিতৰণ কৰাটো নিশ্চিত কৰা।

জনজাতি বিকাশ পৰিকল্পনাৰ লক্ষ্য হৈছে তেওঁলোকৰ বিকাশৰ বাবে ব্যৱস্থাসমূহ আৰু পৰিচালনাৰ পদ্ধতিসমূহ, ন্যায়িক পৰিৱেশ, অধিকাৰসমূহৰ মালিকীস্বত্ব আৰু সমলসমূহ, তেওঁলোকৰ স্থানত থকা বিশেষ আঁচনিসমূহ/কাৰ্যসূচীসমূহ তথা প্ৰতিষ্ঠানসমূহ জৰুৰী আৰু সূক্ষ্মভাৱে বিশ্লেষণ কৰা আৰু ইয়াৰ লগতে সেইবোৰ স্বাভাৱিকভাৱে তেওঁলোকৰ বাবে উপলব্ধ হয় নে নহয় সেইয়া চালিজাৰি চোৱা, সাম্প্ৰতিক পদক্ষেপসমূহে জনজাতীয় সমূদায়বোৰৰ ওপৰত ধনাত্মক অথবা ঋণাত্মক কোনো প্ৰভাৱে পেলাইছে নে নাই সেহয়া নিৰূপণ কৰা, এইবোৰে জনজাতীয় লোকবোৰৰ সৰলীকৰণ প্ৰক্ৰিয়াটো সক্ৰিয় কৰিব নে নকৰে সেইবোৰ বিশ্লেষণ কৰাটো ও জনজাতি বিকাশ পৰিকল্পনাৰ মূল লক্ষ্য।।

## অসমৰ ন্যায়িক আৰু প্ৰতিষ্ঠানিক সংৰচনা

ভাৰতীয় সংবিধানৰ ৩৪২ নং অনুচ্ছেদ অনসৰি অনুসূচীত জনজাতিবোৰ সেইবোৰ জাতি নাইবা জনজাতীয় সমুদায় নাইবা এইবোৰ জনজাতিৰ অন্তৰ্ভূক্ত অংশ নাইবা গোট আৰু জনজাতি সমূদায় যিবোৰক ভাৰতৰ মহামান্য ৰাষ্ট্ৰপতি মহোদয়ে এখন ৰাজহুৱা জাননীৰ দ্বাৰা অনুসূচীত জনজাতি বুলি ঘোষণা কৰে।

জনজাতি সম্বন্ধীয় সাংবিধানিক ৰক্ষাকৰচবোৰ হ'ল ঃ (i) অনুচ্ছেদ ১৪, সম অধিকাৰ আৰু সুযোগ-সুবিধা সম্বন্ধীয়, (ii) অনুচ্ছেদ ১৫ই লিংগ, ধৰ্ম, জাতি, বৰ্ণ আদিৰ ভিত্তি হ'ব পৰা পক্ষপাতিত্ব প্ৰতিৰোধ কৰে, (iii) অনুচ্ছেদ ১৫ (৪)য়ে ৰাজ্য চৰকাৰসমূহক জনজাতিবোৰৰ বাবে বিশেষ ব্যৱস্থাৰ বাবে আদেশ প্ৰদান কৰে, (vi) অনুচ্ছেদ ১৬ (৩)য়ে অনুসূচীত জাতিসকলৰ পক্ষক বিভিন্ন পদ আৰু নিয়োগৰ ক্ষেত্ৰত সংৰক্ষণৰ ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে ৰাজ্য চৰকাৰবোৰক কৰ্তৃত্ব প্ৰদান কৰে, (v) অনুচ্ছেদ ৪৬য়ে ৰাজ্য চৰকাৰসমূহক জনজাতিলোকলৰ সুবিধাৰ্থে শিক্ষা আৰু আৰ্থিক ক্ষেত্ৰত উৎকৰ্ষ সাধন কৰাৰ বাবে আদেশ দিয়ে, সামাজিক অন্যায় আৰু শোষণ প্ৰতিৰোধ কৰাৰ বাবে আদেশ দিয়ে, (vi) অনুচ্ছেদ ২৪৩ হৈছে পঞ্চায়ত আৰু পৌৰসভাত অনুসূচীত জাতিবোৰৰ বাবে আসন সংৰক্ষণৰ সৈতে সম্বন্ধযুক্ত, (vii) অনুচ্ছেদ ২৭৫ (১)য়ে জনজাতিসকলৰ বিকাশৰ বাবে সাহায্যমূলক আৰ্থিক অনুদানৰ ব্যৱস্থা কৰিছে (viii) অনুচ্ছেদ ৩৩০, ৩৩২, ৩৩৫ লোকসভা, ৰাজ্যিক বিধানসভাসমূহত, আৰু কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ বিভিন্ন কাৰ্য্যালয়ত বিষয়বাবত জনজাতিসকলৰ আসন সংৰক্ষণৰ সৈতে সম্বন্ধযুক্ত, আৰু (xi) অনুচ্ছেজ ৩৩৯, ৩৩৪০ হৈছে জনজাতিসকলৰ বিকাশৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ নিয়ন্ত্ৰণৰ সৈতে সম্বন্ধযুক্ত আৰু অনুসন্ধানৰ ক্ষেত্ৰত ক্ষমতা প্ৰদান কৰে। জনজাতিসকলকৰ সামাজিক সুৰক্ষা নিশ্চিত কৰা এখন গুৰুত্বপূৰ্ণ আইন হ'ল "অনুসূচীত জাতি আৰু অনুসূচীত জনজাতি (ব ৰ্বৰতা প্ৰতিৰোধ) আইন, ১৯৮৯"। অসমৰ জনজাতীয় এলেকাসমূহৰ জনজাতীয় লোকসকলৰ ইচ্ছা আৰু আকাংঙ্খাক সুৰক্ষা প্ৰদান কৰাৰ উদ্দেশ্যে স্বায়ত্বশাসিত পৰিষদবোৰক সমৰ্থ কৰি তুলবিলৈ সংবিধানৰ অনুচ্ছেদ ২৪৪ (২) আৰু ২৭৫ (১)ৰ অধীনত সসন্মানে ষষ্ঠ অনুসূচীৰ ব্যৱস্থা কৰা হৈছে। পৰিষদীয় এলেকাসমূহৰ বাবে সংহত বিকাশ পৰিকল্পনাসমূহ প্ৰস্তুত কৰাৰ বাবে আৰু চৰকাৰৰ নীতিৰ সৈতে সংগতি ৰাখি উন্নয়ণকামী আঁচনি আৰু কাৰ্যসূচী প্ৰৱৰ্ত্তন কৰাৰ এই স্বায়ত্বশাসিত পৰিষদসমূহক দায়িত্ব ন্যস্ত কৰা হৈছে। বিভিন্ন ধৰণৰ আইন, নিয়ম-কানুন আৰু নীতি আছে যিবোৰে অনুসূচীত জনজাতীসকলৰ প্ৰতি সমৰ্পিত মনোযোগ নিশ্চিত কৰাৰ ন্যায়িক সংৰচনা প্ৰদান কৰে।

- অনুসূচীত জাতি আৰু অনুসূচীত জনজাতি (বৰ্বৰতা প্ৰতিৰোধ) আইন, ১৯৮৯
- অনুসূচীত জাতি আৰু অন্যান্য পৰাম্পৰাগত অৰণ্যবাসী (অৰণ্য অধিকাৰসমূহ স্বীকৃতি প্ৰদান) আইন, ২০০৬
- অসম লোকসেৱা অধিকাৰ আইন ২০১২
- অসম ভূমি আৰু ৰাজহ অধিনিয়ম (সংশোধনী) আইন, ১৯৪৭
- বিশ্ববেংক (কাৰ্যকৰী নীতি) অ'পি ৪.১০

## অংশীদাৰবোৰৰ সৈতে পৰামৰ্শ

সামাজিক মূল্যায়ণৰ অংশস্বৰূপে কামৰূপ গ্ৰাম্য জিলা, কামৰূপ মেট্ৰ'জিলা, নলবাৰী জিলা, বাক্সা জিলা, শোনিতপুৰ জিলা আৰু মৰিগাওঁ জিলাৰ বিভিন্ন অংশীদাৰৰ সৈতে সমূদায় জিলা আৰু ৰাজ্যিক স্তৰত আলোচনা তথা পৰামৰ্শ কাৰ্য্যসূচীৰ আয়োজন কৰা হৈছিল আৰু এই কাৰ্যসূচীবোৰে জনজাতীয় বিকাশ পৰিকল্পনাখন প্ৰস্তুত কৰাৰ বাবে বহুতো গুৰুত্বপূৰ্ণ বিষয় পোহৰলৈ আনিছিল। বাক্সা জিলা (শালবাৰী উপ-সংমণ্ডল), কাৰ্বিআংলং জিলা (হামৰেণ উপ-সংমণ্ডল) (ষষ্ঠ অনুসূচীৰ

জিলা) আৰু ডিব্ৰুগড়ৰ জনজাতীয় লোকৰ প্ৰতিনিধিবোৰৰ সৈতে ৰাজহুৱা আলোচনা তথা পৰমাৰ্শ কাৰ্যসূচীৰ আয়োজন কৰা হৈছিল। এই আলোচনাবোৰত তাৎপৰ্য্যপূৰ্ণ ভাৱে যথেষ্ট সংখ্যক মহিলা অংশগ্ৰহণকাৰীক অন্তৰ্ভূক্ত কৰা হৈছিল।

## জনজাতীয় বিকাশ পৰিকল্পনা

খিলঞ্জীয়া লোকসকৰ বাবে বিশ্ব বেংকৰ কাৰ্যক্ষম কৰ্মনীতি (OP4.10)ৰ সৌজন্যত আৰু অন্য জাতিৰ গোটসমূহৰ তুলনাত অনুসূচীত জনজাতীৰ কিছুমান বিশেষ বৈশিষ্টপূৰ্ণ সাংস্কৃতিক পৰিচয় থকা কথাটো অনুধাৱন কৰি আৰু কিছুমান বিশেষ দিশৰ বিকাশৰ প্ৰয়োজনীয়তাৰ দিশটো আগত ৰাখি জনজাতীয় বিকাশ পৰিকল্পনা (TDP)খন প্ৰস্তুত কৰি তোলা হৈছে, বিশেষকৈ জনজাতীয় লোকসকলৰ বিশেষ গুৰুত্ব নিহিত হৈ থকা বিষয়সমূহ সমাধান কৰাৰ বাবে সাংস্কৃতিক ভাৱে সামঞ্জস্যপূৰ্ণ সুফলসমূহ প্ৰকল্পটিৰ সংৰচনাৰ মাজত প্ৰদান কৰাৰ আৰু এই সমষ্টিটোৰ সুফলৰ বৃদ্ধি কৰাৰ বাবে অন্য কোনো অতিৰিক্ত দিশে সহায় কৰিব নেকি সেইয়া সন্ধান কৰা বাবে প্ৰকল্পটিৰ বিভিন্ন বিষয়ত তেওঁলোকৰ অংশদাৰিত্ব নিশ্চিত কৰাৰ বাবে এই জনজাতীয় বিকাশ পৰিকল্পনাখন প্ৰস্তুত কৰি তোলা হৈছে।

## জনজাতীয় বিকাশ পৰিকল্পনাৰ লক্ষ্যসমূহ

তলত উল্লেখ কৰা দিশসমূহ নিশ্চিত কৰাই হৈছে জনজাতীয় বিকাশ পৰিকল্পনা

i) এই প্ৰকল্পটিৰ দ্বাৰা সকলোবোৰ জনজাতীয়লোকৰ সৈতে পৰ্যাপ্তৰূপত আৰু সম্পূৰ্ণভাৱে পৰামৰ্শ কৰা হৈছে।

ii) এই প্ৰকল্পটিৰ পৰিচালনাৰ সৈতে জড়িত সকলোবোৰ বিষয় প্ৰস্তুত কৰি তোলাৰ ক্ষেত্ৰত, প্ৰৱৰ্ত্তনৰ ক্ষেত্ৰত আৰু পৰ্যবেক্ষণৰ দিশত জনজাতীয় লোকসকলৰ অংশগ্ৰহণ।

iii) প্ৰকল্পাধীন এলেকাত বাস কৰা সকলোবোৰ জনজাতীয় লোকৰ মাজত প্ৰকল্পটিৰ সুফলসমূহ সমভাৱে উপলব্ধ হোৱা; তেওঁলোকৰ সাংস্কৃতিক পৰিচয়ৰ বাবে বিশেষ প্ৰকাৰৰ সহযোগিতাৰ সৈতে প্ৰচলিত আইন তথা বিধি আৰু নীতি অনুসৰি এইবোৰ প্ৰদান কৰা আৰু সমাজৰ সৈতে তেওঁলোকৰ সামাজিক আৰু অৰ্থনৈতিকঅসমতাসমূহ হ্ৰাস কৰা ।

iv) জনজাতীয় বিকাশ পৰিকল্পনাখন প্ৰৱৰ্ত্তন কৰাৰ বাবে এটি আনুষ্ঠানিক আৰু কাৰ্যকৰীকৰণ ব্যৱস্থাৰ বিকাশ কৰাৰ লগতে দক্ষতা বিকাশৰ পদক্ষেপ গ্ৰহণ কৰা, ইয়াৰ সৈতে জড়িত বিভিন্ন দিশ উদ্ভাৱন কৰা বিশেষ পদ্ধতি আৰু ওজৰ আপত্তি মীমাংসাৰ ব্যৱস্থা, আৰু

v) প্ৰকল্পটোৰ যথোপযুক্ত মানদণ্ড আৰু কাৰ্য-প্ৰণালীসমূহ সামৰি ঠাইতে পৰ্যবেক্ষণ কৰি প্ৰতিবেদনৰ ব্যৱস্থা গ্ৰহণ কৰা।

ইয়াৰোপৰি, জনজাতীয় লোকসকলৰ দ্বাৰা বিভিন্ন সেৱা লাভ কৰা সম্বন্ধীয় ওজৰ-আপত্তি সমাধন কৰাৰ বাবে এটি ওজৰ-আপত্তি মীমাংসাৰ ব্যৱস্থা বিকাশ কৰা হৈছে।

## জনজাতীয় বিকাশ পৰিকল্পনাৰ বাবে বিভিন্ন ৰণকৌশল

অসমৰ ষষ্ঠ অনুসূচীৰ জিলাসমূহ তথা অন্যস্থান সমূহত বাস কৰা জনজাতীয় লোকসকললৈ লোকসেৱা অধিকাৰ আইনৰ সুবিধাসমূহ সম্প্ৰাসাৰিত কৰাৰ বাবে পূৰ্বৰে পৰা থকা চৰকাৰৰ সংৰচনা আৰু জনজাতীয় সমাজৰ পৰাম্পৰাগত ব্যৱস্থাৰ ওপৰত প্ৰকল্পটিৰ জনজাতীয় বিকাশ ৰণকৌশলসমূহ গঠিত। সামূহিক সহযোগিতাৰ ধাৰণা আৰু সমতা, অন্তৰ্ভূক্তিকৰণ, অংশগ্ৰহণ, স্বায়ত্ব-শাসন আৰু জবাবদিহিৰ দৰে সামূহিক বিকাশ ব্যৱস্থাৰ প্ৰধান নীতিসমূহে জনজাতীয় বিকাশ ৰণকৌশল সমূহৰ মূলভাগ গঠন কৰিব।

### ১) অসমৰ ষষ্ঠ অনুসূচীৰ অঞ্চলসমূলৈ অসম লোকসেৱা অধিকাৰ আইনৰ সম্প্ৰসাৰণঃ

অসম চৰকাৰে অসম লোকসেৱা অধিকাৰ আইনৰ পৰিসীমা ষষ্ঠ অনুসূচীৰ অধীনত থকা এই সকলো ছয়খন জিলা - কাৰ্বিআংলং স্বায়ত্ব-শাসিত পৰিষদ (KAAC). ডিমা হাচাও স্বায়ত্ব-শাসিত পৰিষদ (DHAC) আৰু বড়োলেণ্ড টেৰোটেৰিয়েল পৰিষদ (BTC)লৈ সম্প্ৰসাৰণ কৰাৰ পদক্ষেপ গ্ৰহণ কৰিছে। স্বায়ত্ব পৰিষদৰ জিলাসমূহে তেওঁলোকৰ পৰিষদৰ প্ৰশাসনৰ অধীনৰ এলেকাসমূহত আনুষ্ঠানিক ভাৱে এই আইনখন প্ৰৱৰ্ত্তন কৰিব। স্বায়ত্ব পৰিষদৰ প্ৰশাসনৰ অধীনৰ এলেকাসমূহত ৰাজ্যিক বিধান মণ্ডলে বলবৎ কৰাৰ আগতে স্বায়ত্ব পৰিষদৰ আনুষ্ঠানিক অনুমোদনৰ প্ৰয়োজন আৰু সেয়েহে আৰম্ভণীতে এই লোকসেৱা অধিকাৰ আইনখন ষষ্ঠ অনুসূচীত জিলাৰ অধীনৰ ছয় জিলাত প্ৰৱৰ্ত্তন কৰা হৈছিল। সেয়েহে, আৰম্ভণীতে এই লোকসেৱা অধিকাৰ আইনখন ষষ্ঠ অনুসূচীত জিলাৰ অধীনৰ ছয় জিলাত প্ৰবৰ্ত্তিত হৈছিল আৰু এতিয়া এই অসম লোকসেৱা অধিকাৰ আইনখন ষষ্ঠ অনুসূ চীত জিলাসমূহলৈ সম্প্ৰসাৰিত কৰা মানে স্বায়ত্বশাসীত পৰিষদসমূহে

তেওঁলোকৰ অধীনত থকা  বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠান, সেৱা প্ৰদানকাৰী আৰু ব্যৱস্থাসমূহৰ বাস্তৱিক অৰ্থত মূল্য নিৰূপণ কৰিব লাগিব·আৰু সেই অনুযায়ী এইবোৰৰ দৃষ্টিকোণসমূহ সংস্কাৰ কৰাৰ বাবে বাস্তৱধৰ্মী ৰীতি নীতি প্ৰস্তুত কৰাৰ ব্যৱস্থা।

## ২) লোকসেৱা অধিকাৰ আইনৰ সেৱাৰ জৰিয়তে অনুসূচীত জাতিৰ প্ৰমাণ-পত্ৰ বিতৰণ

জটিল আইনগত আনুষ্ঠানিকতাৰ বাবে আৰু বে-চৰকাৰী অংশদাৰিত্বৰ জড়িত হৈ থকাৰ বাবে জনজাতীয় লোকসকলক প্ৰদান কৰা অনুসূচীত জাতিৰ প্ৰমাণ -পত্ৰ বিতৰণৰ ব্যৱস্থা ইতিমধ্যে অধিসূচীত জাতিৰ ৫৫টা সেৱাৰ তালিকাত অন্তৰ্ভুক্ত কৰা হোৱা নাছিল। অনূসূচীত জাতিৰ লোকসকলৰ বাবে অনুসূচীত জনজাতীৰ প্ৰমান-পত্ৰ অতি গুৰুত্বপৰ্ণ নথী আৰু সেয়েহে এই বিষয়টোৰ সমাধানৰ বাবে সকলোবোৰ জনজাতীয় অংশদাৰিত্বৰ পৰা শাক্তিশালী ঐক্যমত দেখা পোৱা গ'ল। এইদৰে, জনজাতীয় বিকাশ পৰিকল্পনাৰ মূল ৰণকৌশলৰ অংশ স্বৰূপে অনুসূচীত জনজাতিৰ প্ৰমান-পত্ৰ প্ৰদান লোকসেৱা অধিকাৰ আইনৰ পৰিসীমাৰ অধীনত হ'ব।

## ৩) জনজাতীয় লোকসকলৰ ওচৰলৈ সেৱা প্ৰদান ওচৰ চপাই আনিবলৈ ৰাজহুৱা সহায়ক কেন্দ্ৰ

অসম নাগৰিক কেন্দ্ৰীক সেৱা প্ৰদান প্ৰকল্পই কাৰ্বিআংলং, ডিমা হাচাও আৰু বিটিএডি এলেকাত পৰ্যাপ্ত পৰিমানে সকলো সেৱাৰ বাবে এটি কেন্দ্ৰীয় ৰাজহুৱা সেৱা কেন্দ্ৰ (এ.এফ.চি.) স্থাপন কৰিব, যিবোৰে লোকসেৱা অধিকাৰ সেৱা অনুৰোধসমূহ পৰিচালনা কৰাৰ বাবে ফলপ্ৰসূ 'চিংগল উইণ্ডো' ৰূপে কাম কৰিব আৰু ই-সমৰ্থ ৰূপে লক্ষ্য নিৰ্ধাৰিত সেৱাসমূহ প্ৰদান কৰিব। এইবোৰে ৰাজহুৱা সেৱাসমূহ জনজাতীয় লোকসকলৰ ওচৰ চপাই আনিব। দূৰ্গম অঞ্চল তথা এই সেৱাসমূহ লাভ কৰিবলৈ অতিক্ৰম কৰিবলগীয়া দুৰত্বৰ ওপৰত নিৰ্ভৰ কৰি এই সেৱাকেন্দ্ৰসমূহৰ স্থান সম্পৰ্ক স্বায়ত্বশাসিত পৰিষদসমূহে সিদ্ধান্ত গ্ৰহণ কৰিব। তথ্য আৰু যোগাযোগ প্ৰযুক্তিত ব্যৱহৃত তথা অন্যান্য সংযোগকাৰী সঁজুলিসমূহ যাতে অতি পিচপৰা তথা দূৰ্গম এলেকাতো সম্পূৰ্ণভাৱে কাৰ্যক্ষম হৈ থাকে সেইয়া নিশ্চিত কৰিবলৈ বিশেষ কাৰ্যকৰী আৰু তত্বাৱধানৰ পদক্ষেপ গ্ৰহণ কৰা হ'ব।

## ৪) স্থানীয় জনজাতীয় ভাষাত যোগাযোগ আৰু সজাগতা বৃদ্ধি কৰা

অসম নাগৰিক কেন্দ্ৰীক সেৱা প্ৰদান প্ৰকল্পই লোকসেৱা অধিকাৰ আইনৰ ওপৰত জনসাধৰণ জ্ঞান তথা চাহিদা বৃদ্ধি কৰাৰ বাবে  সকলো নাগৰিকক ব্যৱহাৰকাৰী কেন্দ্ৰীক  তথ্য প্ৰদান কৰাৰ উদ্দেশ্যে ব্যাপক যোগাযোগ ৰণকৌশল প্ৰৱৰ্ত্তন কৰিব। এই দৃষ্টিভংগীত জনজাতীয় লোকসকল হৈছে অতি গুৰুত্বপূৰ্ণ আৰু মূল লক্ষ্য হিচাপে লোৱা দৰ্শক। পাৰ্শ্বৰতী জনজাতীয় লোকসকলৰ সৰলীকৰণৰ ওপৰত বিশেষ গুৰুত্বপ্ৰদান কৰি এই প্ৰকল্পটিৰ সমূদায় প্ৰয়োজনীয় তথ্যসমূহ প্ৰদান কৰাৰ অভিপ্ৰায়েৰে বিশেষধৰণৰ আই.ই.চি (ইনফৰমেচন - তথ্য, ইডুকেচন - শিক্ষা আৰু কমুনিকেচন - যোগাযোগ)ৰ প্ৰচাৰৰ ব্যৱস্থা আছে। এই প্ৰচাৰ অভিযানসমূহে সকলোবোৰ মূল বাৰ্তা, বিভিন্ন পৰাম্পৰাগত যোগাযোগৰ ব্যৱস্থা তথা আহিলা ব্যৱহাৰ কৰি স্থানীয় জনজাতীয় ভাষাত যোগাযোগ কৰাটো নিশ্চিত কৰিব।

## ৫) এই প্ৰকল্পটিত মহিলাসমূহক জড়িত কৰা

মহিলাসকলৰ অংশগ্ৰহণ বৃদ্ধি নিশ্চিত কৰাৰ উদ্দেশ্যে, এই প্ৰকল্পটিৰ বিভিন্ন স্তৰৰ প্ৰস্তুত কৰাৰ বাবে আৰু প্ৰৱৰ্ত্তন কৰাৰ বাবে যথেষ্টসংখ্যক মহিলাৰ জড়িতকৰণত গুৰু ত্ব প্ৰদান কৰা হৈছে, যাৰ বাবে মহিলাসকলৰ সৈতে  আনুষ্ঠানিক আৰু অনানুষ্ঠানিক পৰমাৰ্শ কৰাৰ উদ্দেশ্যে বহুতো পৰিকল্পনা প্ৰস্তুত কৰা হৈছে।

## ৬) অবিচ্ছন্ন আৰু সমৱৰ্তী সহযোগ

জনজাতীয় সমুদায়সমূহক তেওঁলোকৰ অধিকাৰসমূহ তথা প্ৰাপ্যসমূহৰ প্ৰতি সম্পূৰ্ণ সজাগ কৰি তুলিবলৈ আৰু তেওঁলোকৰ প্ৰয়োজনীয়তাসমূহৰ বাবে বলিষ্ঠ কণ্ঠস্বৰ তথা দাবী প্ৰদানৰ বাবে, প্ৰকল্পটি প্ৰস্তুতকৰণ আৰু প্ৰৱৰ্ত্তনৰ সময়ত জনজাতীয় সম্প্ৰদায়বোৰৰ সৈতে নিৰৱচ্ছিন্ন ভাৱে সহযোগ কৰিব লাগে। বিভিন্ন চৰকাৰী বিভাগ আৰু জনজাতীয় লোকসলকৰ মাজত মধ্যস্থতাকাৰী হিচাপে স্থানীয় নাগৰিকৰ গোটসমূহক, যুৱ সংস্থাসমূহ আৰু সুখ্যাতি থকা অসামৰিক সামাজিক সংগঠনক এই প্ৰকল্পটিৰ সৈতে সংলগ্ন কৰা হ'ব।

## ৭) জনজাতি বিকাশ পৰিকল্পনাৰ মধ্যৱৰ্ত্তীকালীন মূল্যায়ণ

প্ৰকল্পটিৰ প্ৰৱৰ্ত্তনৰ দুই বছৰৰ পিছত প্ৰকল্পটিৰ প্ৰৱৰ্ত্তন আৰু জনজাতীয় সমুদায়বোৰৰ ওপৰত ইয়াৰ প্ৰভাৱসমূহ পুনৰীক্ষণ কৰাৰ বাবে আৰু প্ৰয়োজন সাপেক্ষে সংশোধনীমূলক কাৰ্য অনুমোদন কৰাৰ উদ্দেশ্যে এই প্ৰকল্পটিত মধ্যৱৰ্ত্তীকালীন মূল্যায়ণৰ ব্যৱস্থা থাকিব।

## দক্ষতা বিকাশকৰণ আৰু ব্যাৱস্থাপনাৰ ৰূপান্তৰণ

সেৱা প্ৰদানৰ বাবে নাগৰিক কেন্দ্ৰীক পদক্ষেপসমূহ গ্ৰহণ কৰাৰ ক্ষেত্ৰত সহায় আগবঢ়োৱাৰ উদ্দেশ্যে কৰ্মচাৰীসকলৰ বাবে অসম নাগৰিক কেন্দ্ৰীক সেৱা প্ৰদান প্ৰকল্পটিয়ে এটি ব্যাপক দক্ষতা বিকাশ কাৰ্যসূচী ৰূপায়ণ কৰিব। দুৰ্গম তথা পিচপৰা এলেকাসমূহত বাস কৰা জনজাতীয় লোক আৰু অন্যান্য প্ৰতিকুল অৱস্থাত বাস কৰা গোটসমূহৰ প্ৰয়োজনীয়তাসমূহক যাতে পূৰ কৰিব পৰা যায় তথা আনুসংগিক অসুবিধাসমূহ আতৰ কৰিব পাৰি, সেই উদ্দেশ্যে এই প্ৰশিক্ষণটিয়ে এটি ব্যাপক পদক্ষেপ গ্ৰহণ কৰিব। এটি ৰূপান্তৰিত প্ৰকল্প নাইবা পদক্ষেপৰ যাতে আকাংক্ষিত ফলাফল লাভ কৰিবলৈ জনসাধাৰণ দিশত হোৱা পৰিৱৰ্ত্তনসমূহ পৰিচালনা কৰিবৰ বাবে কিছুমান সঁজুলি, প্ৰক্ৰিয়া, কৌশল আৰু নীতিৰ ব্যৱহাৰকে ব্যৱস্থাপনাৰ ৰূপান্তৰণ বুলি কয়। এই ব্যৱস্থাপনাৰ ৰূপান্তৰণটিও এই পৰিকল্পনাৰ এটি অবিচ্ছেদ্য উপাদান। জনজাতীয় লোকসকলৰ লগতে স্পৰ্শকাতৰ গোট তথা আওঁহতীয়া এলেকাসমূহৰ প্ৰয়োজনীয়তাৰ প্ৰতি সংবেদনশীল কৰি তুলিবলৈ তথা সহাঁনুভুতিশীল কৰি তুলিবলৈ সেৱা-প্ৰদানকাৰীসকলক সহায় কৰাটোৱে ইয়াৰ লক্ষ্য।

## ব্যৱস্থাসমূহৰ প্ৰৱৰ্ত্তন

অসম গ্ৰাম্য আন্তঃগাঠনি আৰু কৃষি সেৱা (এ.আৰ.আই.এ.এচ) সমিতি, যিয়ে অসমত বিশ্ব বেংকৰ দ্বাৰা আৰ্থিক সাহাৰ্য্যপ্ৰাপ্ত প্ৰকল্পসমূহ পৰিচালনা কৰে, এই প্ৰকল্পটিৰ ব্যৱস্থাপনা আৰু পৰিচালনাৰ বাবে কৰ্তৃত্ব প্ৰদান কৰা হৈছে। অসম গ্ৰাম্য আন্তঃগাঠনি আৰু কৃষি সেৱা (এ.আৰ.আই.এ.এচ) সমিতিৰ ৰাজ্যিক প্ৰকল্প সঞ্চালকগৰাকীয়েই অসম নাগৰিক কেন্দ্ৰীক সেৱা প্ৰদান প্ৰকল্পৰ প্ৰকল্প সঞ্চালক ৰূপে সেৱা প্ৰদান কৰে। অসম গ্ৰাম্য আন্তঃগাঠনি আৰু কৃষি সেৱা (এ.আৰ.আই.এ.এচ) সমিতিৰ অধীনত প্ৰকল্প পৰিচালনা গোট (পি.এম.ইউ.)য়ে সকলো বিভাগ আৰু অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে সমন্বয় স্থাপন কৰিব আৰু প্ৰযুক্তিগত দিশসমূহ, সকলোবোৰ প্ৰয়োজনীয় নথি-পত্ৰ, আৰু বিত্তীয় ব্যৱস্থাপনা আৰু ক্ৰয় সন্মন্ধীয় কাৰ্যসমূহ পৰিচালনা কৰিব। প্ৰৱৰ্ত্তনকাৰী বিভাগসমূহৰ তথা অনুষ্ঠান প্ৰতিষ্ঠানসমূহৰ একোজন কতৃত্বশীল বিষয়াই প্ৰকল্প ব্যৱস্থাপনাৰ গোটৰ কৰ্মচাৰীসকলৰ সৈতে লগলাগি প্ৰকল্পৰ কাৰ্যসমূহৰ সৈতে সমন্বয় স্থাপন কৰিব। এনেধৰণৰ পৰিচালনা গোট কাৰ্বিআংলং স্বায়ত্বশাসিত পৰিষদ (KAAC), ডিমা হাচাও স্বায়ত্ব শাসিত পৰিষদ (DHAC) আৰু বডোলেণ্ড টেৰিটোৰিয়েল পৰিষদ (BTC)ত প্ৰতিস্থা কৰা হ'ব। প্ৰকল্পটিৰ পৰিকল্পনা পৰিচালনা গোটৰ সৈতে জড়িত গোটক কৰ্মচাৰীসকলে প্ৰকল্পটিৰ নৱ-ৰূপ প্ৰদান কৰাৰ ক্ষেত্ৰত তথা প্ৰৱৰ্ত্তন কৰাৰ ক্ষেত্ৰত আৰু ব্যৱস্থাপনা ৰূপান্তৰকৰণ আৰু দক্ষতা বিকাশ পদক্ষেপসমূহক সহযোগ কৰিব।

## পৰ্য্যবেক্ষণ আৰু মূল্যায়ণ পদ্ধতি

পূৰ্বৰে পৰা চলি অহা ব্যৱস্থাবোৰৰ সৰলীকৰণৰ দ্বাৰা আৰু ফলাফল সম্বন্ধীয় সূচাংক পৰ্য্যবেক্ষণ কৰিবলৈ বিভিন্ন তথ্য ব্যৱহাৰ কৰি এই প্ৰকল্পটিয়ে দীৰ্ঘম্যাদি পৰ্য্যবেক্ষণ আৰু মূল্যায়ণ পদ্ধতি গঢ় দিব। প্ৰকল্পটিৰ প্ৰমূখ্য লক্ষ্যসমূহ প্ৰাপ্তিৰ পিনে অগ্ৰগতিৰ বিষয়ে প্ৰধান অংশীদাৰসমূহক সাম্প্ৰতিক আৰু ত্ৰিকোণীয় মতামত প্ৰদান কৰাৰ বাবে পৰ্যবেক্ষণ ব্যৱস্থাটো প্ৰস্তুত কৰা হৈছে। প্ৰৱৰ্ত্তনকাৰী প্ৰতিষ্ঠানটোৰ দ্বাৰা পৰ্যবেক্ষণ কৰা তথা পাৰদৰ্শিতাৰ সূচাংকসমূহ যেতিয়াই সম্ভৱ হয় তেতিয়াই জনজাতীয় লোকসকলোৰ প্ৰকৃত মতামত আৰু চৰকাৰী তথ্যসমূহৰ সৈতে তুলনা কৰি চালিজাৰি চোৱা হ'ব।

## ওজৰ-আপত্তি মীমাংসা পদ্ধতি

এই প্ৰকল্পটিয়ে নাগৰকিসমূহে উত্থাপন কৰা প্ৰধান প্ৰধান ওজৰ-আপত্তিসমূহ গ্ৰহণ কৰা, সহাঁৰি পদান কৰা আৰু মীমাংসা কৰাৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান কৰিছে। ওজৰ-আপত্তি মীমাংসা পদ্ধতিটো কাগজে পত্ৰে প্ৰদান কৰা অভিযোগসমূহ আৰু ৱেবচাইটৰ যোগদিে প্ৰেৰণ কৰা তথা মোবাইল বা টেলিফোনৰ যোগেদি প্ৰদান কৰা পদ্ধতিত সক্ৰিয় কৰিব পৰা যাব। এই প্ৰকল্পটিয়ে সেৱাসমূহ প্ৰদান কৰাৰ পিছত ফলপ্ৰসু হিতাধিকাৰীৰ মতামত ব্যৱস্থাটো সক্ৰিয় কৰাৰ ক্ষেত্ৰত বিনিয়োগ কৰিব, যিয়ে স্বয়ংক্ৰিয়ভাৱে মোবাইলৰ জৰিয়তে হোৱা ভাব বিনিময়ৰ জৰিয়তে মতামত সমূহ নিৰ্বাচন কৰিব তথা সেইবোৰ প্ৰকাশ

কৰিব। অতিৰিক্তভাৱে, কোনো বিশেষ বিভাগৰ ক্ষেত্ৰত কোনো ওজৰ-আপত্তি পঞ্জীয়ণ কৰাৰ বাবে, মিলাই চোৱাৰ বাবে আৰু নিৰ্দিষ্ট বিভাগটোলৈ উক্ত ওজৰ-আপত্তি নিৰ্দিষ্ট সময় সীমাৰ ভিতৰত মীমাংসা কৰাৰ বাবে প্ৰেৰণ কৰাৰ বাবে এটি বিনাশুল্কৰ কল-চেন্টাৰ স্থাপন কৰা হ'ব। এই সকলোবোৰ সুবিধা জনজাতীয়লোকসকলে তথা পিছপৰা আৰু পাৰ্শ্বৱৰ্তী এলেকাৰ লোকসকলে যাতে লাভ কৰিব পাৰে, সেইয়া নিশ্চিত কৰিবলৈ প্ৰচেষ্টা হাতত লোৱা হ'ব। জনসাধৰণে পঞ্জীয়ণ কৰা ওজৰ-আপত্তিসমূহ সময়মতে সমাধান কৰাৰ ওপৰত লোকসেৱা অধিকাৰ প্ৰদান গোটৰ ৰাজ্যিক আৰু স্বায়ত্বশাসিত, এই উভয় পক্ষই নিয়মিত ভাৱে চকু ৰাখিব। ওজৰ আপত্তি সমূহৰ পঞ্জীয়ণৰ সংখ্যা, সেইবোৰৰ পুনৰাবৃত্তি সংখ্যা, বেনামী মতামতৰ গ্ৰহণযোগ্যতা আৰু সংশোধনমূলক পদক্ষেপ গ্ৰহণ কৰা কাৰ্য্য আদি দিশৰ ওপৰত নিৰ্ভৰ কৰি এই ব্যৱস্থাৰ কাৰ্যকাৰীতা তথা ফলপ্ৰসুতা নিৰ্ণয় কৰা হ'ব।